بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ    نَحْمَدُهٗ وَنُصَلِّي عَلٰى رَسُوْلِهِ الْكَرِيْمِ    وَعَلٰى عَبْدِهِ الْمَسِيْحِ الْمَوْعُوْدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আই!) য়ে ২০১৯ চনৰ ২৭ আগষ্টত মছজিদ বায়তুল ফতুহ মৌৰডন বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে বদৰি চাহাবা সকলৰ বিষয়ে উল্লেখ কৰাৰ ধাৰাবাহিকতা আজি মই যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম হল হজৰত আছিম বিন আদি (ৰাঃ)। হজৰত আছিম বিন আদি (ৰাঃ) হজৰত মঈন বিন আদিৰ ভায়েক আছিল। এখেত দেখাত মজলীয়া বিধৰ লোক আছিল আৰু চলিত জেতুকা লগোৱাই থাকিছিল। আঁহজৰত (ছাঃ) য়ে যেতিয়া বদৰলৈ যাত্ৰা আৰম্ভ কৰিবলৈ লৈছিল তেতিয়া তেখেত (ছাঃ) য়ে হজৰত আছিম বিন আদি (ৰাঃ)ক কুবা আৰু মদিনাৰ চহৰ অংশখিনিৰ আমিৰ নিযুক্ত কৰিছিল। আন এটা ৰোৱায়েতত আছে যে ৰত্তহা নামক স্থানৰ পৰা ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত আছিম (ৰাঃ)ক বদৰি চাহাবা সকলৰ তালিকাত অন্তৰ্ভূক্ত কৰা হয় আৰু এখেত (ৰাঃ)ৰ বাবে যুদ্ধ লব্দ সামগ্ৰীৰ (মাল গণিমত) পৰাও অংশ দিয়া লৈছিল।

হজৰত আছিম (ৰাঃ)য়ে অহুদৰ যুদ্ধ, খন্দকৰ যুদ্ধ আদিকৰি আন আন যুদ্ধতওঁ ৰছুলে কৰিম (ছাঃ)ৰ লগত যোগ দিছিল। হজৰত আছিম (ৰাঃ)য়ে মুৱাবিয়াৰ শাসন কালত ৪৫ হিজৰিত মদিনাত মৃত্যুবৰণ কৰিছিল। মৃত্যুৰ সময়ত এখেত (ৰাঃ)ৰ বয়স হৈছিল ১১৫ বছৰ। কিছুমানৰ মতে এখেত (ৰাঃ)য়ে ১২০ বছৰ বয়সত মৃত্যু বৰণ কৰিছিল।

ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া চাহাবা ইকৰামক তবুকৰ যুদ্ধৰ বাবে সাজু হবলৈ নিৰ্দেশ দিছিল তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে উমৰা সকলক আল্লাহৰ বাটত ধন-মাল বাহন আদি দান দিয়াৰ (তেহেৰিক) ঘোষনা কৰিছিল। তেতিয়া বিভিন্ন শ্ৰেণীৰ লোক সকলে নিজৰ নিজৰ পৰিস্থিতি অনুযায়ী কোৰবাণী আগবঢ়াইছিল। এই সময়তেই হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ ঘৰৰ সকলো সা-সম্পত্তি লৈ আহিছিল যাৰ দাম আছিল চাৰি হেজাৰ দেৰহাম। ৰছুলে পাক (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক সুধিছিল যে নিজৰ পৰিয়ালৰ নিমিত্তে কিবা ৰাখি আহিছা নে নাই ? তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে উত্তৰ দিছিল য়ে পৰিয়ালৰ বাবে আল্লাহ আৰু তাৰ ৰছুলক এৰি আহিছো । হজৰত উমৰ (ৰাঃ)য়ে ঘৰৰ আধা ধন-সম্পত্তি লৈ আহিছিল। আঁহজৰত (ছাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক সুধিছিল য়ে তুমি পৰিয়ালৰ নিমিত্তে কিবা ৰাখি আহিছানে নাই ?। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে উত্তৰ দিছিল যে আধাখিনি পৰিয়ালৰ বাবে ৰাখি থৈ আহিছোঁ। তেতিয়া হজৰত আব্দুৰ ৰহমান বিন আওফ (ৰাঃ)য়ে এশ আওফিয়া দান কৰিছিল। এক আওফিয়াত চল্লিশ দেৰহাম হয়। তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল উচমান বিন আফফান আৰু আব্দুৰ ৰহমান বিন আউফ আল্লাহ তায়ালাৰ অনুগ্ৰহৰ এটা অনুগ্ৰহ অৰ্থ্যাৎ ধন-মালৰ পৰা এটা ধন, যিয়ে আল্লাহৰ সন্তুষ্টিৰ নিমিত্তে খৰচ কৰে। এই সময়ত মহিলা সকলেও নিজৰ গহনা পাতিও বৰঙণি হিচাপে আগবঢ়াই দিছিল। তেতিয়া হজৰত আছিম বিন আদি (ৰাঃ)য়ে সত্তৰ থোপা খেজুৰ আগবঢ়াইছিল। এটা থোপাত ষাটি ছাআ থাকে, তাৰে এটা ছাআত প্ৰায় আঢ়ে কিলোগ্ৰাম হয়। এনেদৰে খেজুৰৰ পৰিমান আছিল ২৬২ মোন। মুঠতে হজৰত আছিম (ৰাঃ)য়ে নিজৰ ওচৰত থকা সকলোখিনি খেজুৰ আগবঢ়াইছিল আৰু এয়া বৰ ডাঙৰ অংক আছিল।

হজৰত আছিম বিন আদি (ৰাঃ) সেই সকল চাহাবাৰ মাজত এজন আছিল, যি সকলক আঁহজৰত (ছাঃ)য়ে মছজিদ জৰাৰ ভাঙিবলৈ আদেশ দিছিল। আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক মছজিদ জৰাৰ ফালে যাবলৈ আদেশ দিছিল যে সেই মছজিদ ভাঙি পেলাই জুই লগাই দিয়া। যেতিয়া মছজিদ ভাঙি জুই লগাই দিয়া হৈছিল তেতিয়া সেই মছজিদ নিৰ্মান কৰোঁতা সকলে তাতেই উপস্থিত আছিল কিন্তু জুই লগাই দিয়াৰ লগে লগে সিহঁতে তাৰ পৰা পলায়ণ কৰিছিল। নবী কৰিম (ছাঃ)য়ে বিচাৰিছিল যে হজৰত আছিম (ৰাঃ)য়ে তাত নিজৰ ঘৰ বনাই লওঁক। কিন্তু হজৰত আছিম (ৰাঃ)য়ে কৈছিল যে মোৰ থকা ঘৰ আছে আৰু এয়া মোৰ দখলত আহি গৈছে। ভাল হব এয়া যে, এয়া ছাবিত বিন ইকৰামক দি দিয়া যাওঁক। কাৰণ তাৰ ঘৰ নাই তেওঁ ইয়াতে নিজৰ ঘৰ বনাই লওঁক। গতিকে আঁহজৰত (ছাঃ)য়ে সেই ঠাইখিনি ছাবিত বিন ইকৰামক দি দিছিল।

হজৰত মছিহ মাওউদ (আঃ)য়ে এবাৰ দিল্লী ভ্ৰমনত গৈ দিল্লীৰ জামে মছজিদখন চাই কৈছিল যে এইখন বৰ ধুনীয়া

মছজিদ। কিন্তু লগতে এয়া কৈছিল যে মছজিদৰ প্ৰকৃত সৌন্দৰ্য্য অট্টালিকাৰ সৈতে নহয় বৰং সৌন্দৰ্য্য হল সেই নমাজী সকলৰ সৈতে, যি সকলে একাগ্ৰচিত্তে নমাজ পঢ়ে। আঁহজৰত (ছাঃ)ৰ দিনত জাগতিক উদ্দেশ্য এখন মছজিদ কিছুমান লোকে বনাইছিল, সেয়া খোদা তায়ালাৰ আদেশ অনুসৰি ভাঙি পেলোৱা হৈছিল। মছজিদ সম্পৰ্কে এয়া আদেশ আছে যে মছজিদ তাকওয়াৰ নিমিত্তে যেন বনোৱা হয়।

হজৰত খলিফা আওয়াল (ৰাঃ)য়ে "লামিন হাৰব আল্লাহ"ৰ ব্যাখা কৰোঁতে কৈছে যে ইয়াতে আবু আমৰৰ প্ৰতি ইংগিত কৰিছে, যিজন লোক ঈছাই আছিল এওঁৰ চক্ৰান্ত আছিল যে আঁহজৰত (ছাঃ)য়ে এই মছজিদত নমাজ পঢ়িলে আকৌ আৰু কিছুমান মুছলমানেও ইয়াত নমাজ পঢ়িবলৈ আহিব, এনেদৰে মই মুছলমান সকলৰ জামাত নষ্ট কৰি দিম।

আন এজন চাহাবীৰ নাম আছিল হজৰত উমৰু বিন অউফ (ৰাঃ)। মক্কা নগৰত এখেৰত জন্ম হৈছিল। আনহাতে ইবনে ছাআদৰ মতে এখেত (ৰাঃ) ইয়ামিনৰ বাসিন্দা আছিল। হজৰত উমৰু ইবনে আউফ ইছলামৰ প্ৰাথমিক অৱস্থাতে ঈমান স্থাপন কৰিছিল। এখেত (ৰাঃ)য়ে মদিনালৈ হিজৰত কৰি গৈ কোবাৰ বাসিন্দা হজৰত কুলছুম বিন আলহিদামৰ ঘৰত অৱস্থান কৰিছিল। হজৰত উমৰু বিন অওফ বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ খন্দকৰ যুদ্ধ, আৰু ইয়াৰ পিছত সকলো যুদ্ধতেই আঁহজৰত (ছাঃ)ৰ সৈতে অংশগ্ৰহন কৰিছিল। হজৰত উমৰ (ৰাঃ)ৰ খিলাফত কালত এখেত (ৰাঃ)ৰ মৃত্যু হৈছিল আৰু হজৰত উমৰ (ৰাঃ)য়ে এখেতৰ নমাজে জানাজা পঢ়াইছিল।

এতিয়া যিজন চাহাবীৰ বিষয়ে উল্লেখ কৰিম তেখেতৰ নাম আছিল হজৰত মঈন বিন আদি (ৰাঃ)। এখেতে আনছাৰৰ কবিলা বণু উমৰু বিন অউফৰ বন্ধু আছিল। হজৰত মঈন বিন আদি (ৰাঃ)য়ে সত্তৰ আনছাৰৰ লগত যোগ দি বয়াতে উকবাত অংশ গ্ৰহন কৰিছিল। এখেত (ৰাঃ)য়ে ইছলাম গ্ৰহন কৰাৰ আগতেই আৰবী লিখিব জানিছিল। হজৰত মঈন (ৰাঃ)য়ে বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ, খন্দক আদিকৰি সকলো যুদ্ধত ৰছুলুল্লাহ (ছাঃ)ৰ লগত চামিল হৈছিল।

হজৰত উমৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া নবী কৰিম (ছাঃ)ৰ তিৰুধান হৈছিল, মই হজৰত আবু বক্কৰ (ৰাঃ)ক কৈছিলো যে আপুনি মোৰ লগত আমাৰ আনছাৰ ভাই সকলৰ ওচৰলৈ যাব লাগে। সেয়ে আমি দুয়ো গৈছিলো আৰু সিহঁতৰ মাজৰ দুজন নেক মানুহক লগ পাইছিলো, যি সকলে বদৰৰ যুদ্ধত অংশগ্ৰহন কৰিছিল। মই উৰৱা বিন জাবেৰক কৈছিলো তেতিয়া তেখেতে কৈছিল যে তেওঁলোকে দুজন আছিল হজৰত আওয়েম বিন ছাআদা আৰু হজৰত মঈন বিন আদি (ৰাঃ)।

উক্ত ঘটনাৰ বিশ্লেষণত হুজুৰ নোৱাৰ (আইঃ)য়ে কয় যে -হজৰত ইবনে আববাচ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে এবাৰ মই হজৰত আব্দুৰ ৰহমান বিন অওফ (ৰাঃ)ৰ মিনাত থকা ঘৰখনত আছিলো আৰু তেখেতে হজৰত উমৰ বিন খাত্তাবৰ ওচৰলৈ গৈছিল। যেতিয়া হজৰত আব্দুৰ ৰহমান মোৰ ওচৰলৈ ঘুৰি আহিছিল, তেতিয়া মোক তেখেতে কৈছিল - তুমিও সেইজন ব্যাক্তিক দেখিলাহেতেঁন, যিজনে আজি আমিৰুল মোমিনিনৰ ওচৰত আহি কৈ আছে যে আমিৰুল মোমিনিন, আপুনি অমুক ব্যাক্তিজনৰ বিষয়ে জানেনে ? যিজনে কৈ আছে যে যদি উমৰ যায় তেন্তে মই অমুকৰ বয়াত কৰিম। আকৌ তেওঁ কয় যে আল্লাহৰ কছম ! ভীতিগ্ৰস্থ হৈ এনেয়ে আবু বক্কৰৰ বয়াত হোৱা হৈছে। এই কথাবোৰ শুনি হজৰত উমৰ (ৰাঃ)য়ে বৰ দুখিত হৈছিল আৰু তেখেত (ৰাঃ)য়ে কৈছিল - যদি আল্লাহ তায়ালা ইচ্ছা কৰে তেন্তে মইও এদিন লোকৰ আগত থিয় হম আৰু তেওঁলোকক সেই সকল লোকৰ পৰা সাৱধান কৰি দিম যি সকলে তেওঁলোকৰ বিষয়টো জোৰ পূৰ্বক নিজৰ হাতলৈ নিব বিচাৰে। আকৌ এদিন হজৰত উমৰ (ৰাঃ) য়ে মিম্বৰত বহাৰ পিছত আজান হয়, তাৰ পিছত তেখেত (ৰাঃ) য়ে থিয় হৈ আল্লাহৰ প্ৰশংশা কৰে আৰু কয় যে আম্মাবাদ মই তোমালোকক এনেকুৱা এটা কথা কবলৈ ওলাইছো, যি আচলতে মোৰ বাবে নিৰ্দ্ধাৰণ কৰা হৈছে যে মই কওঁ। আকৌ হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে মই এয়া খবৰ পাইছো যে তোমালোকৰ মাজৰ কোনোবাই কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ)য়ে এনেয়ে খিলাফত পাই গৈছে। আকৌ মোৰ বিষয়ে কৈছে যে - আল্লাহৰ কছম ! যদি উমৰৰ মৃত্যু হয় তেন্তে অমুকক বয়াত কৰিম। তেখেত (ৰাঃ)য়ে কৈছিল যে - গতিকে কোনো ব্যাক্তিয়ে প্ৰৱঞ্চনাত পৰি এনেদৰে নকব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এই বিষয়ে বিতং বিশ্লেষণ কৰি দিছো - হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে কোনো ব্যাক্তিয়ে প্ৰৱঞ্চনাত পৰি এয়া নকব যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত এনেয়ে ভীতিগ্ৰস্থ হৈ ভুলতে কৰা হৈছে। শুনা ! এয়া ঠিক যে সেই বয়াত তেনেদৰেই হৈছিল কিন্তু আল্লাহ তায়ালা সেই খৰধৰ ভয়-ভীতিৰ বয়াতৰ পঙ্কিলতাৰ পৰা ৰক্ষা

কৰিছে আৰু তোমালোকৰ মাজত হজৰত আবু বক্কৰৰ দৰে কোনো নাই। আকৌ তেখেত (ৰাঃ) য়ে কৈছে যে - যিজনে মুছলমানৰ পৰামৰ্শ নোহোৱাকৈ কোনো ব্যাক্তিৰ বয়াত কৰিছে, তেন্তে তাক যেন বয়াত কৰোৱা নহয় আৰু যাৰ বয়াত কৰিছে. তাকো যেন বয়াত কৰোৱা নহয়। আকৌ হজৰত উমৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে - যেতিয়া আল্লাহ তায়ালা নবী কৰিম (ছাঃ)ক মৃত্যু দান কৰিছে তেতিয়াই আনছাৰ সকলে আমাৰ বিৰুধী হৈ পৰিছে। আমি সকলোৱে ছকিফা বণু ছাআদাত একগোট হৈ আবু বক্কৰৰ ওচৰত আহিছিলো। মই হজৰত আবু বক্কৰক কৈছিলো যে আহা আমি আমাৰ আনছাৰ ভাই সকলৰ ওচৰলৈ যাওঁ। আমি যেতিয়া তেওঁলোকৰ  ওচৰলৈ গৈছিলো তেতিয়া আমি তেওঁলোকৰ মাজৰ দুজন নেক লোকক লগ পাইছিলো তাৰে এজন আছিল হজৰত মঈন বিন আদি (ৰাঃ)। তেখেতে কৈছিলো যে - হে মুহাজেৰিনৰ জমাত তোমালোক কলৈ গৈ আছা ? আমি উত্তৰ দিছিলো যে আমি আনছাৰ ভাই সকলক লগ ধৰিব বিচাৰো। তেতিয়া এখেত দুয়োজনে কৈছিল- মুঠেই তোমালোক তালৈ নাযাব। যি সিদ্ধান্ত লবলৈ আছে সেয়া তোমালোকে নিজে নিজে লৈ লোৱা। হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে - মই কৈছিলো- আল্লাহৰ কছম !  আমি নিশ্চয় তেওঁলোকৰ ওচৰলৈ যাম। এয়া কৈ পেলাই আমি যাবলৈ আগবাঢ়িছিলো আৰু বণু ছাআদাৰ বাহিৰত সিহঁতৰ ওচৰত গৈ উপস্থিত হৈছিলো। তাত আনছাৰ সকলৰ  মাজত হজৰত আবু বক্কৰ আৰু হজৰত উমৰ সম্পৰ্কে খিলাফত নিৰ্বাচন লে দীঘলীয়া আলোচনা চলিছিল। এই সম্পৰ্কে হজৰত মুছলেহ মাওউদ (ৰাঃ) য়ে যি বৰ্ণনা কৰিছে সেয়া হুজুৰ (আইঃ)য়ে কয় যে - ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যুৰ পিছত চাহাবা সকলে তিনিটা দলত বিভক্ত হৈ পৰিছিল। এটা দলে ধাৰণা কৰিছিল যে যিহেতু নবী (ছাঃ)ৰ মনোবাঞ্চা তেখেতৰ পৰিয়াল বৰ্গহঁ ভালদৰে জানে গতিকে নবী (ছাঃ)ৰ পৰিযালৰ পৰাই কোনোবা ব্যাক্তি নিযুক্ত হওঁক।

কিন্তু আনটো দলে ভাৰিছিল যে ইয়াৰ বাবে ৰছুলুল্লাহ (ছাঃ)ৰ পৰিয়ালৰ কোনোবাই হোৱাটো জৰুৰী চৰ্ত নহয়। উদ্দেশ্য হল এয়া যে ৰছুলে কৰিম (ছাঃ)এজন উত্তৰাধিকাৰী হওঁক। তৃতীয় দলটো আগলৈ দুটা দলত বিভক্ত হৈ পৰিছিল। ইয়াৰে এটা দলে ভাৰিছিল যে যিজন লোকে আটাইতকৈ বেছি সময়লৈকে ৰছুলুল্লাহ (ছাঃ)ৰ শিক্ষা লাভ কৰিছে, তেওঁৰেই ইয়াৰ অধিকাৰী। মুহাজিৰ আৰু কুৰাইছ সকলৰ মাজৰ, যিজনৰ কথা শুনিবলৈ গোটা আৰৱ সাজু আছে আৰু কিছুমানে ধাৰণা কৰিছিল যে যিহেতু ৰছুলে কৰিম (ছাঃ)য়ে মদিনাত মৃত্যুবৰণ কৰিছে আৰু মদিনাত আনছাৰ সকলেই প্ৰতাপী গতিকে এওঁলোকে এই কাম ভালদৰে চলাব পাৰিব। তেখেত (ৰাঃ)য়ে লিখিছে যে উক্ত মত বিৰুধৰ ফলত আনটো দলে চিন্তা কৰি কোনো সিদ্ধান্তত উপনীত হব পৰা নাছিল। এওঁলোকে বণি ছাআদাৰ এটা বাৰান্দাত গোট খাই এই এই বিষয়ে আলোচনা কৰিবলৈ লৈছিল আৰু ছঈদ বিন আবাদা, যিজন খজৰজ কবিলাৰ চৰদাৰ আছিল আৰু নকোবাৰ  লোক আছিল, তেওঁৰ ফালে সকলোৱে সমৰ্থন দিছিল যে তেওঁকেই খলিফা নিযুক্ত কৰা যাওঁক। এই সিদ্ধান্ত লোৱাৰ পিছত যেতিয়া মুজাহিৰ সকলে এই খবৰ পাইছিল তেতিয়া তেওঁলোকে অনতিপলমে তাত আহি উপস্থিত হৈছিল কাৰণ এওঁলোকে চিন্তা কৰিছিল যে যদি মুহাজেৰিন সকলৰ কোনোবাই খলিফা নহয় তেন্তে আৰৱ তাৰ আনুগত্য স্বীকাৰ নকৰে। ইয়াতে কেৱল মদিনাৰ কথাই নহয় বৰং গোটা আৰৱৰ কথা চিন্তা কৰিবলীয়া আছে। হজৰত উমৰ (ৰাঃ) কৈছে যে মই তেতিয়া এটা ডাঙৰ দীঘল বক্তব্য ৰখাৰ কথা ভাৰিছিলো যাতে আনছাৰ সকলে এই দাঙি ধৰা দলিল প্ৰমাণৰ ওপৰত বিশ্বাসী হব পাৰে। কিন্তু যেতিয়া মই তাত গৈ উপস্থিত হৈছিলো তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে বক্তব্য দিবলৈ থিয় দিছিল। যিয়েই নহওঁক খোদা তায়ালাৰ কছম যিমানবোৰ কথা মই ভাৰিছিলো তেখেতে সেইবোৰ কথাই লোকলৈ দাঙি ধৰিছিল। বৰং ইয়াৰ উপৰিও তেখেতে নিজৰ ফালৰ পৰাও বহুতো প্ৰমাণ আদি আগবঢ়াইছিলো। তেতিয়া মই বুজি পাইছিলো যে মই আবু বক্কৰৰ লগত নিজকে তুলনা কৰিব নোৱাৰো। হজৰত আবু বক্কৰ (ৰাঃ)য়ে এই হাদীছটোও উল্লেখ কৰিছিল যে “আল আয়েম্মা মিন কুৰাইছ”। তেতিয়া হাববাৰ বিন মনজৰ খজৰজি ইয়াৰ বিৰোধীতা কৰিছিল আৰু কৈছিল যে এয়া আমি মানি লৱ নোৱাৰো যে কেৱল মুহাজেৰিণ সকলৰ ফালৰ পৰা খলিফা হোৱা উচিত। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছিল হয়, যদি আপোনালোকে এয়া কোনোমতেই মানি নলয় আৰু আপত্তি থাকে তেন্তে এয়া হওঁক যে এজন আমিৰ আপোনালোকৰ ফালৰ আৰু এজন আমাৰ ফালৰ পৰা হওঁক। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে - ভাৰি চিন্তি কথা কব। তুমি জানানে ৰছুলে পাক (ছাঃ)য়ে কৈছিল যে একে সময়তে দুজন আমিৰ নিযুক্ত হোৱা জায়েজ নহয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে সেই বৈঠকত বহু তৰ্ক-বিতৰ্কৰ পিছত হজৰত আবু উবেদা (ৰাঃ)য়ে থিয় হৈ

আনছাৰ সকলক কৈছিলো যে তোমালোকে হল প্ৰথম সম্প্ৰদায়, যিয়ে মক্কাৰ বাহিৰত প্ৰথম ঈমান স্থাপন কৰিছিলা আৰু এতিয়া ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যুৰ পিছত  তোমালোকে সেই প্ৰথম সম্প্ৰদায় নহবা যিয়ে ধৰ্মৰ উদ্দেশ্যৰ পৰিবৰ্তন সাধন কৰে। উক্ত কথাখিনি শুনাৰ পিছত আনছাৰ সকলেৰে এজন লোক বশিৰ বিন ছঈদ খজৰাজি থিয় হৈ কৈছিল যে হে মোৰ সম্প্ৰদায় এওঁলোকে সত্য কথা কৈছে। আমি মহম্মদ ৰছুলুল্লাহৰ যি সেৱা কৰিছো আৰু সহয় সহযোগিতা কৰিছো সেয়া জাগতিক উদ্দেশ্য সাধনৰ বাবে নহয় আৰু তেখেত (ছাঃ)ৰ পিছত শাসনৰ গদি লাভৰ বাবেও নহয় বৰং আমি খোদা তায়ালাৰ নিমিত্তে এইবোৰ কৰিছো। ইয়াৰ পিছতো অলপ সময় তৰ্ক-বিতৰ্ক চলাৰ ৪০,৪৫ মিনিট পিছত সকলোৰে মতামত এইফালে আহিল যে মুহাজেৰিণ সকলৰ মাজৰ পৰা কোনোবাজনক খলিফা নিৰ্বাচিত কৰা উচিত হব। সেয়ে হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত উমৰ আৰু হজৰত আবু উবেদা (ৰাঃ)। এই আসন প্ৰদানৰ নিমিত্তে নাম প্ৰস্তাৱ কৰিছিল। কিন্তু দুয়োজনেই সেয়া আগ্ৰাহ্য কৰিছিল আৰু কৈছিল যে যিজনে ৰছুলে কৰিম (ছাঃ)য়ে নিজে অসুখ থকা অৱস্থাত নমাজৰ ইমাম বনাই দিছিল আৰু যিজন সকলো মুহাজেৰিণতকৈ উত্তম, আমি তাৰেই বয়াত কৰিম।

গতিকে ইয়াৰ পিছতেই হজৰত আবু বক্কৰ (ৰাঃ)ৰ বয়াত কৰিবলৈ আৰম্ভ কৰিছিল। সৰ্বপ্ৰথমে হজৰত উমৰ (ৰাঃ)আৰু দ্বিতীয়তে হজৰত আবু উবেদা আৰু তৃতীয়তে হজৰত বশিৰ বিন ছঈদ খজৰাজি বয়াত গ্ৰহন কৰিছিল। ইয়াৰ পিছত আউচ আৰু খজৰজ কবিলাৰ লোকে বয়াত হৈছিল। মুঠতে অলপ সময়ৰ ভিতৰতেই হজৰত আলি (ৰাঃ) আৰু ছাআদৰ বাহিৰে বাকী সকলোৱে বয়াত কৰিছিল। হজৰত আলি  (ৰাঃ)য়ে কেইদিনমান পিছত বয়াত কৰিছিল। কোনো কোনো ৰোৱায়েতত তিনিদিন আকৌ কোনো কোনো ৰোৱায়েতত ছয় মাহ পিছত হজৰত আলি(ৰাঃ)য়ে বয়াত কৰাৰ কথা উল্লেখ পোৱা যায়। ছয় মাহৰ কথা উল্লেখ থকা ৰোৱায়েতত এয়া বৰ্ণনা কৰা আছে যে হজৰত ফাতিমা (ৰাঃ)ৰ শুশ্ৰুষাত ব্যাস্ত থকাৰ কাৰণে হজৰত আলি (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ) বয়াত কৰিব পৰা নাছিল। যেতিয়া হজৰত আলি (ৰাঃ)য়ে বয়াত কৰিবলৈ আহিছিল তেতিয়া হজৰত আলি (ৰাঃ)য়ে আপত্তি দৰ্শাইছিল যে হজৰত ফাতিমা (ৰাঃ) বেমাৰত পৰাৰ কাৰণে তেখেতৰ  বয়াত কৰাত পলম হৈ গৈছে।

হজৰত উৰবা বিন জাবেৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া আল্লাহ তায়ালা আঁহজৰত (ছাঃ)ক মৃত্যু প্ৰদান কৰিছিল তেতিয়া লোকে তেখেত (ছাঃ)ৰ নিমিত্তে কান্দিছিল আৰু কৈছিল যে আমি এয়া বিচাৰিছিলো যে আমি যেন ৰছুলুল্লাহ (ছাঃ)ৰ আগতে মৃত্যু বৰণ কৰোঁ। আমাৰ সন্দেহ হৈছিল যে আমি যেন ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যুৰ পিছত কাজিয়া বিবাদত লিপ্ত হৈ নাযাওঁ।

তেতিয়া এই কথা শুনি হজৰত মঈন (ৰাঃ)য়ে কৈছিল যে আল্লাহৰ কছম ! এয়া মই কেতিয়াও বিচৰা নাছিলো যে মই আঁহজৰত (ছাঃ)ৰ আগতেই মৰি যাওঁ। ইয়াৰ কাৰণ হল - যেতিয়ালৈকে মই তেখেত (ছাঃ)ৰ মৃত্যুৰ পিছত তেখেত (ছাঃ)ৰ তেনেদৰেই সত্যায়ণ কৰি নলওঁ যেনেকৈ আঁহজৰত (ছাঃ)ৰ জীৱনদৰ্শাত তেখেত (ছাঃ)ৰ সত্যায়ণ কৰিছিলো। ঠিক তেনেদৰেই ইয়াৰও সত্যতাৰ সাক্ষী দি লওঁ যে খিলাফত ৰাশেদা সেই নিজাম যাৰ ভৱিষ্যত বাণী আঁহজৰত (ছাঃ)য়ে কৰি থৈ গৈছে, সেয়া আৰম্ভ হৈছে আৰু ইয়াক জাৰি ৰাখিব লাগিব। লগতে আমি যেন মোনাফেকিন আৰু ধৰ্মত্যাগী সকলৰ জালত নপৰো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে গতিকে এয়াই হল সেই ঈমানৰ মানদণ্ড, যি সকলো আহমদীয়ে নিজৰ অন্তৰত প্ৰতিষ্ঠা কৰা উচিত। এটা ৰোৱায়েত অনুসৰি হজৰত মঈন (ৰাঃ) হজৰত খালিদ বিন আলিদ (ৰাঃ)ৰ লগত আঁহজৰত (ছাঃ)ৰ পিছত ধৰ্মত্যাগী আৰু বিদ্ৰোহী সকলক দমন কৰাত অংশগ্ৰহন কৰিছিল। হজৰত খালিদ বিন অলিদ (ৰাঃ)য়ে দুস অশ্বৰোহী দি হজৰত মঈন (ৰাঃ)ক ইমামালৈ প্ৰথম দল হিচাপে পঠিয়াইছিল। আঁহজৰত (ছাঃ)য়ে হজৰত মঈন বিন আদি আৰু হজৰত জায়েদ বিন খাত্তাব (ৰাঃ)ৰ মাজত ভাতৃত্ব বন্ধন পাতি দিছিল। এওঁলোক দুয়োজন আছহাবেই হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফত কালত ১২ হিজৰিত ইমামাৰ যুদ্ধত শ্বাহাদত বৰণ কৰিছিল।

আল্লাহ তায়ালা প্ৰত্যেক আহমদীক নবুয়তৰ মৰ্যাদা চিনি পোৱাৰ তৌফিক দান কৰক আৰু খিলাফতৰ সৈতে আনুগত্য আৰু বিশ্বাস,একাগ্ৰতাপূৰ্ণ সম্পৰ্ক গঢ়াৰ তৌফিক দান কৰক। (আমিন)

**********

# Assamese Khulasa Khutba Jumma Huzoor Anwar 23 August. 2019

| To |
|---|
| ------------------------------------------------------------------------ <br> ------------------------------------------------------------------------ |

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844